**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। লখিমপুৰত ২৯৮ কোটি টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ অনুষ্ঠান।

২। খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ সামৰণি। ৭ কোটি ৪০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰীৰ অভিলেখ।

৩। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন আলোকচিত্ৰ শিল্পী নলিনী বৰুৱাৰ দেহাৱসান।

৪। শীতৰ প্ৰকোপৰ বাবে কামৰূপ মহানগৰ জিলাৰ লগতে ৰাজ্যৰ কেইবাখনো জিলাৰ বিদ্যালয়সমূহত আজিৰে পৰা পাঠদানৰ সময়সূচী সালসলনি। **আৰু**

৫। অসমৰ ছটা জনগোষ্ঠীক জনজাতি হিচাপে স্বীকৃতি প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰত্যাখ্যান।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত ২৯৮ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ঢকুৱাখনা বিধানসভা সমষ্টিত আয়োজিত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰিব। দিনৰ ১ বজাত ঘিলামৰা ব্লক ফিল্ডত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৫০ গৰাকী মহিলাক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰু ঢকুৱাখনাৰ বিধায়ক নৱ কুমাৰ দলে উপস্থিত থকাৰ কথা। মুখ্যমন্ত্ৰীয়ে বিয়লি ঢকুৱাখনাৰ মাতমৰাত আয়োজিত এটা অনুষ্ঠানত ১৪৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া জলবায়ু স্থিতিস্থাপক ব্ৰহ্মপুত্ৰ সংহত বান আৰু খহনীয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। বামুণী চাপৰিৰ পৰা টেকেলিফুটালৈ এই প্ৰকল্প নিৰ্মাণ কৰা হ'ব। তেওঁ ২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ফাটবিহু ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ উন্নয়ন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে ১৫ কোটি টকা ব্যয়সাপেক্ষ বাসুদেৱ থান নৰোৱা সত্ৰৰ বিকাশৰ প্ৰথম পৰ্যায় আৰু ৯০ কোটি টকা ব্যয়সাপেক্ষে ঢকুৱাখনাৰ মহকুমা অসামৰিক চিকিৎসালয়ক ২০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ আৰু আবাসিক গৃহ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰিব। নিশা ৮ বজাত মুখ্যমন্ত্ৰীয়ে ২৫ কোটি টকা ব্যয়েৰে লখিমপুৰত নিৰ্মিত ৮৯০ খন আসনযুক্ত ড° ভূপেন হাজৰিকা টাউন হল নামৰ অত্যাধুনিক প্ৰেক্ষাগৃহ উদ্বোধন কৰিব।

০০০০০০

ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতিত প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী আমদানি কৰাটো বন্ধ কৰি গ্ৰামাঞ্চলসমূহক স্বাৱলম্বী কৰি তুলিব পাৰিলে ৰাজ্যখনৰ অৰ্থনীতিত ৩২ হাজাৰ কোটি টকা যোগ হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি বোকাখাত বিধানসভা সমষ্টিৰ অধীনৰ আত্মসহায়ক গোটৰ ২৭ হাজাৰ ১৬৬ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰাৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে মহিলাসকলে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ

ভূমিকা গ্ৰহণ কৰিব পাৰে আৰু ইয়াৰ বাবে ৪০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে।

**বাইট (চি এম)**

বোকাখাতত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে ৰাজ্যৰ ৫৫টা সমষ্টিত আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ কৰিছে। বিগত কেইবছৰমানত ৰাজ্যখনত কৃষি, উদ্যমিতা আৰু সমাজ কল্যাণকে ধৰি প্ৰতিটো খণ্ডত যথেষ্ট বিকাশ হৈছে আৰু বিকাশৰ এই গতি ১০ বছৰলৈ অব্যাহত থাকিলে অসমে দেশৰ শীৰ্ষ ৫ খন ৰাজ্যৰ তালিকাত স্থান লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীয়ে ইয়াৰ আগেয়ে অঞ্চলটোত লোকনিৰ্মাণ বিভাগৰ অধীনত পথ আৰু গৃহ, জলসিঞ্চন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ ২২টা প্ৰকল্প উদ্বোধন কৰে। জলসিঞ্চন বিভাগৰ অধীনত ৭৭ কোটি ৫৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া ১৮টা প্ৰকল্পৰো কালি মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তোলাৰ বাবে পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু পৰিয়ালৰ সদস্যই আগশাৰীৰ অধিবক্তা লৈ বিশেষ দল গঠন কৰাৰ লগতে বিশেষ আদালতৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীক পত্ৰযোগে আবেদন জনাইছে। এই পত্ৰত অভিযুক্তসকলৰ প্ৰতিজনে নিজৰ সুৰক্ষাৰ বাবে দেশৰ আগশাৰীৰ খ্যাতিসম্পন্ন আৰু অভিজ্ঞ অধিবক্তাক সুকীয়াকৈ নিয়োগ কৰাৰ বিষয়ে উল্লেখ কৰি জুবিন গাৰ্গে ন্যায় পাব পৰাকৈ চৰকাৰী পক্ষতো এটা শক্তিশালী অধিবক্তাৰ দল থকাৰ প্ৰয়োজন বুলি উল্লেখ কৰে। তেওঁলোকে লগতে ন্যায় প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰিবলৈ বিশেষ আদালত গঠনৰ পোষকতা কৰে।

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া সন্দৰ্ভত পৰহিলৈ অৰ্থাৎ ৯ জানুৱাৰীত হ'বলগীয়া ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই বৈঠকৰ পাছতে গোচৰটো বিশেষ আদালতত বিচাৰৰ বাবে দিয়া হ'বনে নহয়, সেই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব।

**বাইট**

০০০০০০

খানাপাৰাত কালি সামৰণি পৰা অসম গ্ৰন্থমেলাত ৭ কোটি ৪০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰিছে। পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে গ্ৰন্থ বিক্ৰীৰ এই হাৰ সঁচাকৈয়ে আশাব্যঞ্জক। তেওঁ লগতে জুবিন গাৰ্গ বিষয়ক গ্ৰন্থই এইবাৰ বিপুল সমাদৰ লাভ কৰিছে বুলি উল্লেখ কৰে। সচিবগৰাকীয়ে সকলো গ্ৰন্থপ্ৰেমীকে এই সঁহাৰিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

**বাইট (প্ৰমোদ কলিতা)**

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ কালি সামৰণি অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ওড়িশাৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত লেখক-সাহিত্যিক অৰূপ কুমাৰ দত্ত, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী আৰু সাহিত্য অকাডেমীৰ অসমীয়া ভাষা উপদেষ্টা সমিতিৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন আলোকচিত্ৰ শিল্পী নলিনী বৰুৱাৰ যোৱা নিশা তেজপুৰৰ বাৰহলীয়াস্থিত নিজা বাসভৱনত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৫ বছৰ।

১৯৩১ চনৰ ২২ এপ্ৰিলত জন্মলাভ কৰা বৰুৱাই ছবছৰ বয়সৰ পৰাই ফটো তোলা আৰম্ভ কৰিছিল। ১৯৬৮ চনৰ পৰা ২০১৬ চনলৈকে তেওঁ অসম তথা দেশৰ বিভিন্ন ৰাজ্যৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইটালী, ইংলেণ্ডকে ধৰি বহুকেইবাখনো ৰাষ্ট্ৰত এককভাৱে ৫০ খনতকৈও অধিক আলোকচিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। শিল্পীগৰাকীয়ে পঞ্চম দশকতে ফটোগ্ৰাফীৰ ক্ষেত্ৰখনত সুকীয়া শৈলীৰে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে আলোকচিত্ৰ শিল্পৰ ক্ষেত্ৰখনত এটা নতুন যুগৰ সূচনা কৰিবলৈ সমৰ্থ হৈছিল।

অনন্য প্ৰতিভাৰ বাবে বৰুৱাক ১৯৭৭ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফটোগ্ৰাফী ছ'ছাইটীয়ে জাৰ্নেল এৱাৰ্ড প্ৰদান কৰে। ২০০১ চনত লণ্ডন অনুষ্ঠিত এখন আন্তৰ্জাতিক আলোকচিত্ৰ প্ৰদৰ্শনীত বৰুৱাৰ 'আনৱাণ্টেড বেবী' শীৰ্ষক আলোকচিত্ৰখনে ব্ৰঞ্জৰ পদক লাভ কৰে। বৰুৱাৰ আন এখন বিখ্যাত আলোকচিত্ৰ 'পেং অফ বাৰ্থে' ইটালীৰ এছ'ছিয়েচন অৰ কাৰ্লচাৰেল চাৰ্কুলাৰ পৰা স্বৰ্ণ পদক লাভ কৰে। ইয়াৰ উপৰিও লণ্ডনৰ ফটোগ্ৰাফী ইয়েৰ বুক, ইলাষ্ট্ৰেটেড উইকলি অৰ ইণ্ডিয়া, জাৰ্মানীৰ ফটোগ্ৰাফী অফ মেগাজিন ছ'ছাইটীয়ে প্ৰকাশ কৰা আলোচনীৰ বেটুপাটো অসম সন্তান নলিনী বৰুৱাৰ আলোকচিত্ৰই শুৱনি কৰিছিল। শিল্পীগৰাকীক অসম চৰকাৰে ২০১৪ চনত কলাগুৰু বিষ্ণু ৰাভা বঁটাৰে সন্মানিত কৰিছিল।

আলোকচিত্ৰ শিল্পীগৰাকীৰ মৃত্যুত তেজপুৰকে ধৰি সমগ্ৰ ৰাজ্যতে গভীৰ শোকৰ ছাঁ পৰিছে। তেজপুৰ সাহিত্য সভা, তেজপুৰ ফটোগ্ৰাফী ক্লাব, বান থিয়েটাৰ, প্ৰাক্তন বিধায়ক বৃন্দাবন গোস্বামী, শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাসকে ধৰি অজস্ৰ গুণমুগ্ধই শিল্পীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০

ৰাজ্যত শীতৰ প্ৰকোপ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ লগতে কেইবাখনো জিলাৰ বিদ্যালয়সমূহত আজিৰেপৰা কাৰ্যকৰী হোৱাকৈ পাঠদানৰ সময়সূচী কিছু সাল-সলনি কৰা হৈছে। এই অনুসৰি কামৰূপ মহানগৰ জিলাত প্ৰাথমিক বিদ্যালয়সমূহত পাঠদান দিনৰ ১০ বজাৰ পৰা ১ বজালৈ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত ১০ বজাৰ পৰা দিনৰ ২ বজালৈ হ'ব। মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পাঠদান ১০ বজাৰ পৰা দিনৰ আঢ়ৈ বজালৈ হ'ব। শীতৰ প্ৰকোপৰ প্ৰতি লক্ষ্য ৰাখি হোজাই, ডিব্ৰুগড় আৰু মাজুলিৰ শিক্ষানুষ্ঠানসমূহৰ পাঠদানৰ সময়সূচীও সলনি কৰা হৈছে। হোজাই জিলাত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত পাঠদান দিনৰ ১০ বজাৰ পৰা ১ বজালৈ চলিব। উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পাঠদান ১০ বজাৰ পৰা ২ বজালৈ চলিব। অৱশ্যে জিলাখনৰ বিদ্যালয়সমূহত চলি থকা দশম শ্ৰেণী আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ পৰীক্ষাৰ সময়সূচী অপৰিৱৰ্তিত থাকিব। ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহত ১০ বজাৰ পৰা বিয়লি ৩ বজালৈ পাঠদান অনুষ্ঠিত হ'ব। মাজুলী জিলাৰ প্ৰাথমিক বিদ্যালয়সমূহ ১০ বজাৰ পৰা দিনৰ ১ বজালৈ, প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়সমূহ পুৱা ১০ বজাৰ পৰা দুপৰীয়া ডেৰ বজালৈ আৰু উচ্চৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহ ১০ বজাৰ পৰা বিয়লি ৩ বজালৈ খোলা থাকিব। ইপিনে, নলবাৰী জিলাৰ বিদ্যালয়সমূহ কালিৰেপৰা ৫ দিনৰ বাবে বন্ধ ঘোষণা কৰা হৈছে।

০০০০০০

অসমৰ ছটা জনগোষ্ঠীক জনজাতি হিচাপে স্বীকৃতি প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে প্ৰত্যাখ্যান কৰিছে। মন্ত্ৰীগোটৰ আহ্বায়ক ডা০ ৰণোজ পেগুক সমিতিৰ নেতৃবৰ্গই কালি সাক্ষাৎ কৰি এই সন্দৰ্ভত চূড়ান্ত আপত্তি আৰু পৰামৰ্শাৱলী দাখিল কৰে। সমন্বয়ৰক্ষী সমিতিৰ মুখ্য আহ্বায়ক আদিত্য খাখলাৰীৰ নেতৃত্বত এটা সঁজাতি দলে সুহাশ চাকমাৰ অধ্যক্ষতাত গঠন কৰা পৰামৰ্শদাতা গোটৰ চূড়ান্ত আপত্তি আৰু পৰামৰ্শৱলী দাখিল কৰাৰ লগতে এখন স্মাৰক পত্ৰও প্ৰদান কৰে। সমন্বয়ৰক্ষী সমিতিয়ে দাখিল কৰা এই প্ৰতিবেদনৰ প্ৰতিলিপি মন্ত্ৰীগোটৰ আহ্বায়ক ডা০ ৰণোজ পেগুৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈও

প্ৰেৰণ কৰা হ'ব বুলি শ্ৰীখাখলাৰীয়ে জানিবলৈ দিয়ে। প্ৰতিবেদনখন গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি মন্ত্ৰী ডা০ ৰণোজ পেগুৱে জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অচিৰেই মুঠ ১১ হাজাৰ ১৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। এই অনুসৰি পৰহিলৈ এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে জনোৱা অনুসৰি ১০ জানুৱাৰীত সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৬ হাজাৰ ৩৪৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৪৫ হাজাৰ ৬৬৪ৰ পৰা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

০০০০০০

বদোদৰাত অনুষ্ঠিত বিজয় মাৰ্চেণ্ট ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত অসম দল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসম দলে কালি ছট্টিশগড়ক ১ ইনিংছ আৰু ৯৪ ৰানত পৰাস্ত কৰে। খেলখনৰ তৃতীয়দিনা দলটোৱে ৪০৬ ৰানত নিজৰ প্ৰথম ইনিংছ সামৰে। অহা ১১ জানুৱাৰীত অসমে বদোদৰাত পঞ্জাবৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন আলোকচিত্ৰশিল্পী নলিনী বৰুৱাৰ দেহাৱসনাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

ভেনিজুৱেলাত আক্ৰমণ কৰাৰ পাছত আমেৰিকাই চীন আৰু ৰাছিয়াক উদ্দেশি ঘোষণা কৰিছে যে, তেওঁলোকে নিজৰ এলেকাত আন কোনো দেশক সোমাবলৈ নিদিয়ে। এয়া **দৈনিক জনমভূমি** কাকতৰ বাতৰি।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অহা ৯ জানুৱাৰীত কেবিনেট বৈঠকত লোক অধিবক্তা নিয়োগ সন্দৰ্ভত চৰকাৰে সিদ্ধান্ত ল'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰি **আমাৰ অসম** কাকতৰ লগতে **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **অসমীয়া খবৰ** কাকতেও বিশেষ গুৰুত্ব দিছে।

ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতাৰে জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে মন্ত্ৰীগোটৰ অধ্যক্ষ ৰণোজ পেগুক আপত্তি সম্বলিত আবেদন দাখিল কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত আৰু দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

ইপিনে, শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য দখলমুক্ত কৰাৰ বাবে কালি পুনৰ উচ্ছেদ চলোৱা হয়। তেজপুৰ সদৰ ৰাজহ চক্ৰ আৰু ঠেলামৰা ৰাজহ চক্ৰৰ অধীনৰ জামুকতল, আৰিমাৰি চৰ, গণেশটাপু চৰ, লাঠিমাৰী চৰৰ লগতে চিয়ালি চৰ, খুন্দলীয়া, ভাটলী, গন্তিপাৰ আৰু লহৈৰা দ্বীপ চৰত কেইবাখনো বুলডজাৰ ব্যৱহাৰ কৰি অবৈধ নিৰ্মাণসমূহ উচ্ছেদ কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত ঘন কুঁৱলীয়ে আৱৰি ৰাখিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ আৰু অৰুণাচলৰ কিছু স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**